এম.চি. মেহতা

-বনাম-

ভাৰত যুক্তৰাজ্য আৰু অন্যান্য।

ৰায়দানৰ তাৰিখ- ২৯ আগষ্ট, ২০০০ চন।

[ন্যায়াধীশ বি.এন. কিৰপাল আৰু ন্যায়াধীশ শ্ৰীমতী ৰুমা পালৰ খণ্ড বিচাৰপীঠ]

ঔদ্যোগিক প্ৰদূষণ- দিল্লী-ইটা ভাটাসমূহ-বন্ধ কৰা আৰু দিল্লীৰ বাহিৰলৈ স্হানান্তৰিত কৰা, উষ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰদান কৰা আদেশ - ইটা ভাটাৰ মালিকসকলক কোনো ক্ষতিপূৰণ পৰিশোধ নকৰাকৈ ভূমি ত্যাগ কৰাৰ নিৰ্দেশ-ইটা ভাটাসমূহৰ মালিকসকলৰ দ্বাৰা আদেশ সংশোধনৰ বাবে আবেদন -গৃহীত, আৱেদনবোৰত অনুমোদন জনোৱা হ'ল- সংশোধন কৰা হয় যে ইটা ভাটাসমূহ বন্ধ কৰা বা ফ্লাই-এছ (fly-ash) প্ৰযুক্তিৰ ব্যৱহাৰলৈ পৰিৱৰ্তনৰ কৰাৰ সৈতে, যি ভূমিত এইবোৰ অৱস্থিত আছিল সেই ভূমিৰ মালিকসকল কোনো ভূমি ত্যাগ কৰিবলৈ যিকোনো বাধ্যবাধকতাৰ অধীন নহয়- অৱশ্যে, এইটো সেই সকল ইটা ভাটাৰ মালিকৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব যিসকলে পুনঃসংস্হাপনৰ সুবিধা লাভ কৰিছে ।

এম.চি মেহতা- বনাম- ভাৰত যুক্তৰাজ্য,(১৯৯৬)৪ এছচিচি ৩৫১ত প্ৰতিবেদিত আৰু এম.চি. মেহতা - বনাম- ভাৰত যুক্তৰাজ্য, [১৯৯৮) ৯ এছচিচি ১৪৯ত প্ৰতিবেদিত গোচৰৰ উদ্ধৃতিৰে...........

মূল দেৱানী ক্ষেত্ৰাধিকাৰ : অন্তঃৰ্বৰ্তীকালীন আবেদন নং-

১২৪৩ ১২৪৬, ১২৪৭, ১২৪৮ আৰু ১২৫৯।

অন্তৰ্গত

আই.এ. নম্বৰ ১২৯ অন্তৰ্গত আই.এ. নম্বৰ ২২

অন্তৰ্গত

লেখ আবেদন(চি) নম্বৰ ৪৬৭৭/১৯৮৫

(ভাৰতীয় সংবিধানৰ ৩২ নং-অনুচ্ছেদৰ অধীনত।)

কে.এন. ৰাভাল আৰু মুকুল ৰোহতাগী অতিৰিক্ত মহান্যায়বাদী, ৰঞ্জিত কুমাৰ(এ.চি.), এম.চি. মেহতা, বিজয় পাঞ্জাৱানী (চি.পি.চি.বি.) বাবে, চি.ভি. চুব্বা ৰাও, আৰ.এন. বাৰ্মা, এছ.কে. দ্বিবেদী ভাৰত যুক্তৰাজ্যৰ বাবে, কে.চি. কৌশিক, এছ.এন. টাৰ্ডেল (ইউ.ডি মন্ত্ৰনালয়ৰ) বাবে ভি.বি. সাহৰ্য, (ডি.ডি.এ)ৰ বাবে, ডি.এন. গোবৰ্ধন, শ্ৰীমতী গীতা লুথৰা, শ্ৰীমতী পিঙ্কি আনন্দ এন.চি.টি দিল্লীৰ বাবে, শ্ৰীমতী শেইল চেঠী এন.চি.আৰ.পি.বি.বাবে, আৰ.চি. বাৰ্মা, চি. সিদ্ধাৰ্থ, (ডি.পি.চি.চি.)বাবে, ই.চি. আগৰৱালা, ঋষি আগৰৱাল, অশ্বিনী কুমাৰ, ধ্ৰুৱ মেহতা, এছ.কে.

মেহতা, শ্ৰীমতী শোভা, সূৰ্য কান্ত আৰু আৰ.এচ. চুৰিয়ে গোচৰত অৱতীৰ্ন হোৱা পক্ষসমূহক প্ৰতিনিধিত্ব কৰিছে।

ন্যায়ালয়ৰ আদেশ নিম্নলিখিতধৰণে প্ৰদান কৰা হৈছিল:

এই আৱেদনসমূহ পূৰ্বৰ ইটাভাটাৰ মালিকসকলৰ দ্বাৰা দাখিল কৰা হৈছে যাৰ ইটা ভাটা দিল্লীৰ এন.চি.টিত আছিল । এই আৱেদনসমূহৰ জৰিয়তে লেখ আবেদন(চি) নম্বৰ ৪৬৭৭/১৯৮৫ৰ অন্তৰ্গত আই.এ.নম্বৰ ২২ত ১০.৫.৯৬ আৰু ২৬.১১.৯৬ তাৰিখে ন্যায়ালয়ৰ দ্বাৰা গৃহীত আদেশৰ সংশোধনৰ বাবে প্ৰাৰ্থনা জনোৱা হৈছে যাতে আৱেদনকাৰীসকলক কোনো ক্ষতিপূৰণ নিদিয়াকৈ মাটিখিনি ত্যাগ কৰিবলৈ দিয়া নিৰ্দেশ বিলোপ কৰিব পাৰে ।

এই ন্যায়ালয়ে দিল্লীৰ ঔদ্যোগিক প্ৰদূষণৰ সৈতে মোকাবিলা কৰি আছিল। ১৯৯০ চনৰ মুখ্য পৰিকল্পনা (মাষ্টাৰ প্লেন) অনুসৰি উদ্যোগসমূহক বিভিন্ন শ্ৰেণীত বিভক্ত কৰা হৈছিল। যিবোৰ উদ্যোগ শ্ৰেণী-এইচ(H)-ৰ অন্তৰ্ভুক্ত আছিল, সেইবোৰ উদ্যোগ বন্ধ কৰাটো আৰু/ বা মুখ্য পৰিকল্পনা (মাষ্টাৰ প্লেন) কাৰ্যকৰী হোৱাৰ তিনি বছৰৰ ভিতৰত দিল্লীৰ বাহিৰলৈ স্থানান্তৰিত কৰাটো প্ৰয়োজনীয় ৰূপে বিবেচিত হৈছিল। যেতিয়া উক্ত উদ্যোগবোৰৰ স্থানান্তৰ কৰণ বা বন্ধ কৰা হোৱা নাছিল, তেতিয়া এই লেখ আবেদন দাখিল কৰা হৈছিল যাৰ ফলশ্ৰুতিত ১০ মে, ১৯৯৬ তাৰিখৰ

আদেশ গৃহীত হৈছিল, যিটো [১৯৯৬] ৪ এছ.চি.চি ৩৫১ হিচাপে প্ৰতিবেদিত। এই আদেশ বিশেষভাৱে বিপদজনক আৰু ক্ষতিকাৰক উদ্যোগসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য আছিল, আৰু ইয়াত দিয়া নিৰ্দেশনাবোৰত অন্যান্য বিষয়ৰ লগতে সেই উদ্যোগবোৰে ব্যৱহাৰ কৰি থকা কিছু শতাংশ ভূমি ত্যাগ কৰাটো বাধ্যতামুলক আছিল আৰু একে সময়তে বাকী ভূমিৰ বাবে ন্যায়ালয়ে পঞ্চাশ শতাংশ অতিৰিক্ত এফ.এ.আৰ.(F.A.R)ৰ অনুমতি দিছিল । মুখ্য পৰিকল্পনা (মাষ্টাৰ প্লেন)ত উল্লেখ কৰা ধৰণে মাটিখিনিৰ সদব্যৱহাৰ হোৱাটো প্ৰয়োজনীয় আছিল।

১৯৯০ চনৰ মুখ্য পৰিকল্পনা(মাষ্টাৰ প্লেন)ত, ইটা ভাটাবোৰক শ্ৰেণী এইচ(H) অন্তৰ্ভূক্ত উদ্যোগ হিচাপে দেখুওৱা হোৱা নাছিল। দিল্লী প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিৰ দ্বাৰা প্ৰতিবেদন দাখিল কৰাৰ পিছতহে এই আদালতে ২৬.১১.৯৬ তাৰিখে প্ৰদান কৰা আৰু [১৯৯৮] ৯ এছচিচি ১৪৯ত প্ৰতিবেদিত আদেশৰ দ্বাৰা এই সিদ্ধান্তত উপনীত হৈছিল যে ৰাষ্ট্ৰীয় ৰাজধানী ভূখণ্ড দিল্লীৰ বিভিন্ন অঞ্চলত ২৪৬ টা ইটা ভাটা চলিত অৱস্হাত আছে যিবোৰ শ্ৰেণী-এইচ(H)অন্তৰ্ভূক্ত উদ্যোগ আছিল আৰু সেয়েহে উক্ত উদ্যোগসমুহ বাহাল থাকিব নোৱাৰে। সেইবোৰ বন্ধ কৰা আৰু দিল্লীৰ পৰা স্থানান্তৰ কৰাৰ আদেশ গৃহীত কৰাৰ সময়ত প্ৰদান কৰা নিৰ্দেশনাৰ দফা ৬ ত উল্লেখিত যে ইটাভাটাবোৰৰ স্থানান্তৰকৰণ/পুণঃস্হাপনৰ ফলত উপলব্ধ

হোৱা ভূমিৰ ব্যৱহাৰৰ অনুমতি এই ন্যায়ালয়ে এম.চি. মেহতা - বনাম- ভাৰত যুক্তৰাজ্য গোচৰত ১০ মে, ১৯৯৬ চনত গৃহীত আদেশ অনুসৰি প্ৰদান কৰিব। এইটোও কোৱা হৈছিল যে স্থানান্তৰিত ইটা ভাটাবোৰক ক্ষতিপুৰণ দিয়া হ'ব আৰু ইটাৰ ভাটাবোৰ ফ্লাই এছ (Fly Ash)প্ৰযুক্তিলৈ পৰিবৰ্তিত কৰিব লাগিব ।

এই ক্ষেত্ৰত দ্বিমত নাই যে বৃহৎ সংখ্যক ইটা ভাটাৰ মালিকে অনুজ্ঞাপত্ৰ/লীজত লোৱা ভূমি দখল কৰি আছিল। এই ক্ষেত্ৰতটো কোনো দ্বিমত নাই যে ২৬.১১.৯৬ তাৰিখৰ উক্ত আদেশ প্ৰদান কৰাৰ আগতে মাটিৰ মালিকসকলক জাননী জাৰি হোৱা কৰা নাছিল, যিসকল, ইটা ভাটাৰ মালিকসকলৰ ভূ-স্বামী আছিল। তেওঁলোকৰ অধিকাৰ গুৰুতৰভাৱে প্ৰভাৱিত হৈছিল আৰু প্ৰাকৃতিক ন্যায় নীতি অনুসৰি এওঁলোকক শুনানিৰ সুযোগ দিয়াটো প্ৰয়োজন আছিল। যিটো অস্বীকাৰ কৰা হৈছিল।

আমাৰ এইটোও দৃষ্টিগোচৰ হৈছে যে ইটাৰ ভাটাবোৰ কৃষিভূমিত অৱস্থিত আছিল, উক্ত ভূমিত উদ্যোগৰ বাবে অনুমতি দিয়া ধৰণৰ কোনো নিৰ্মাণকাৰ্য্য হ'ব নোৱাৰে। যেতিয়া এই আদালতে, ১০.০৫.৯৬ তাৰিখৰ আদেশ গৃহীত কৰিছিল, য'ত নিৰ্দিষ্ট শতাংশ ভূমি ত্যাগ কৰাৰ প্ৰয়োজনৰ বিষয়ে উল্লেখ আছিল, একে সময়তে ভূমিৰ মালিকসকলক ভূমিৰ থকা নিৰ্মাণকাৰ্য্য বাবে ক্ষতিপূৰণৰ ৰূপত অতিৰিক্ত এফ.এ.আৰ.(F.A.R)-ৰ

অনুমতি দিছিল । সেই পৰিস্থিতিটো কৃষিভূমিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নোৱাৰে যাৰ ওপৰত ইটাভাটাবোৰ অৱস্থিত আছিল। এইটো স্পষ্ট যে ইটাভাটাবোৰৰ অৱস্থান অন্যান্য এইচ(H)শ্ৰেণীৰ উদ্যোগবোৰ অনুৰূপ নহয়। এই দুই প্ৰকাৰৰ উদ্যোগত ক্ষেত্ৰত একেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব পৰা নাযায়। যিহেতু, ইটাৰ ভাটাবোৰ শ্ৰেণী-এইচ(H)ৰ অন্তৰ্ভুক্ত উদ্যোগ নহয়, যিটো আমি ইতিমধ্যে লক্ষ্য কৰিছোঁ, ১০ মে' ১৯৯৬ ত প্ৰদান কৰা আদেশ অনুসৰি অন্যান্য গোটসমূহ সেই শ্ৰেণীত অন্তৰ্গত কৰা হৈছিল। সাধাৰণতে কৃষিভূমিত কোনো নিৰ্মাণকাৰ্য্যৰ অনুমতি নাই, যদি এক হেক্টৰতকৈ কম হয় আৰু যদি কেৱল এক হেক্টৰতকৈ অধিক হয় তেতিয়া ইয়াৰ এটা অংশ নিৰ্মাণকাৰ্য্যৰ বাবে ব্যৱহাৰ কৰিব পাৰি। কৃষিভূমিৰ পৰিস্থিতিটো ঔদ্যোগিক ভূমি বা উদ্যোগসমূহ নিৰ্মাণ কৰা ভূমিৰ সৈতে যথেষ্ট পৃথক। সেইবাবে, আৱেদনকাৰীসকলৰ যুক্তিৰ যোগ্যতা আছে যে তেওঁলোকে মাটিখিনি ত্যাগ কৰাৰ বাধ্যবাধকতাৰ অধীন নহয়। অৱশ্যে, বিদ্বান অধিবক্তাৰ দ্বাৰা স্বীকাৰ্য যে কৃষিভূমি বা যি ভূমিত ইটা ভাটা অৱস্থিত আছিল সেই ভূমিৰ ব্যৱহাৰ মূখ্য পৰিকল্পনা(মাষ্টাৰ প্লেন)ৰ বিধান অনুসৰি অব্যাহত থাকিব আৰু আজিলৈ মুঠ ২৪৬টা ইটা ভাটা বন্ধ কৰি দিয়া হৈছে। আমাক বাৰত (bar) জনোৱা হৈছে যে প্ৰশ্নাধীন ভূমিসমূহ এতিয়া বেছিভাগেই কৃষিকাৰ্যত ব্যৱহাৰ কৰা হৈছে, অৱশ্যে ইয়াত পূৰ্বৰ ইটা ভাটাৰ দুজন মালিকে ফ্লাই

এছ( fly ash ) প্ৰযুক্তিৰ জৰিয়তে পৰিৱেশ-অনুকূল ইটা নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল।

উপৰোক্ত কাৰণবোৰৰ বাবে, এই আবেদনসমূহত অনুমোদন জনোৱা হৈছে আৰু এইটোও স্পষ্ট কৰি দিয়া হৈছে যে ইটা ভাটা বন্ধ কৰা বা ফ্লাই এছ( fly ash ) প্ৰযুক্তিৰ ব্যৱহাৰলৈ কৰা পৰিৱৰ্তনৰ সৈতে, মাটিৰ মালিকসকল, যিসকলৰ ভূমিত ইটাভাটাবোৰ অৱস্থিত আছিল তেওঁলোকে ভূমি ত্যাগ কৰাৰ কোনো ধৰণৰ বাধ্যবাধকতা অধীন নহয়। এই পৰিমাণলৈকে ২৬.১১.৯৬ তাৰিখৰ আদেশ সংশোধন কৰা হ'ল। এইটো স্পষ্টকৈ প্ৰকাশ কৰা হৈছে যে এই আদেশ সেইসকল ইটা ভাটাৰ মালিকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় যিসকলে এই আদালতৰ ২৬.১১. ৯৬ তাৰিখৰ আদেশ লাভ কৰিছে আৰু পুনঃসংস্হাপনৰ ক্ষেত্ৰত ইয়াৰ অধীনত লাভান্বিত হৈছে। এই আদালতৰ দ্বাৰস্হ হোৱা আবেদনকাৰীসকলে কয় যে তেওঁলোকৰ কোনেও পুনঃসংস্হাপনৰ সন্দৰ্ভত কোনো সহায় পোৱা নাই বা এনে কোনো লাভালাভ পোৱা নাই। এই আদেশৰ ফলস্বৰূপে, মাটিখিনি মূল গৰাকীলৈ ঘূৰি যাব।

টি.এন.এ. অন্তঃৰৰ্তীকালীন আবেদন অনুমোদিত।

অনুবাদক -উৰ্মি হাজৰিকা

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱে ই সঠিক বুলি বিবেচিত হ'ব।"